# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 18-05-2025
**Time:** 12-05 Hrs

***Assamese Midday Bulletin***

জম্মু-কাশ্মীৰৰ পেহেলগামৰ সন্ত্ৰাসবাদী আক্ৰমণক লৈ দেশবিৰোধী মন্তব্য কৰা লোকৰ বিৰুদ্ধে অসম আৰক্ষীয়ে অভিযান তীব্ৰতৰ কৰি তুলিছে। এইপৰ্যন্ত অসম আৰক্ষীয়ে দেশবিৰোধী মন্তব্য কৰাৰ অভিযোগত বিভিন্ন জিলাৰ পৰা ৬৫ জন লোকক গ্ৰেপ্তাৰ কৰিছে। কোকৰাঝাৰ আৰক্ষীয়ে কালি দেশ বিৰোধী মন্তব্য কৰাৰ অভিযোগত জয়নাল আবেদিন নামৰ এজন লোকক গ্ৰেপ্তাৰ কৰে। আৰক্ষীৰ এই অভিযানত কাছাৰ জিলাৰ পৰা সৰ্বাধিক দেশ বিৰোধী মন্তব্য কৰাৰ অভিযোগ ৮ জনকৈ লোকক গ্ৰেপ্তাৰ কৰা হৈছে।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে এই বিষয়ে প্ৰকাশ কৰি অসম আৰক্ষীয়ে এই অভিযান পৰৱৰ্তী সময়তো অব্যাহত ৰাখিব বুলি উল্লেখ কৰিছে। তেওঁ লগতে জনসাধাৰণক এনে দেশ বিৰোধী মন্তব্য দৃষ্টি গোচৰ হোৱাৰ মাত্ৰেই প্ৰশাসনক অৱগত কৰিবলৈ আহ্বান জনায়। দেশ বিৰোধী মন্তব্য কৰা লোকৰ বিৰুদ্ধে কোনো ধৰণৰ সহানুভূতি প্ৰদৰ্শন কৰা নহ'ব মুখ্যমন্ত্ৰী ড০ শৰ্মাই প্ৰকাশ কৰে।

০০০০

এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণ সফল ৰূপায়ণৰ বাবে ৰাজ্য চৰকাৰ আৰু বিনিয়োগকাৰীসকলৰ মাজত চুক্তিপত্ৰ বিনিময় অনুষ্ঠানৰ আয়োজন কৰা হৈছে। শ্ৰীমন্ত শংকৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত আজি শক্তি বিভাগত যুটীয়া পদক্ষেপৰ উদ্বোধন আৰু ভূমি আৱণ্টন কাৰ্যসূচী অনুষ্ঠিত হৈছে। এই কাৰ্যসূচীত ৰাজ্য চৰকাৰ আৰু বিনিয়োগকাৰীসকলৰ মাজত ২২ হাজাৰ ৮৯৯ কোটি টকাৰ চুক্তিৰ বিনিময় সম্পন্ন হ'ব। এই বিনিয়োগৰ দ্বাৰা ৰাজ্যত প্ৰায় ছহেজাৰ নতুন নিয়োগ সৃষ্টি হ'ব বুলি আশা কৰা হৈছে।

০০০০

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান পৰ্যটকৰ বাবে কাইলৈৰ পৰা বন্ধ হ'ব। ৰাষ্ট্ৰীয় উদ্যানখনত ২০২৪-২৫ পৰ্যটন বৰ্ষৰ অন্ত পৰিব। ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষই যোৱা ১ মে'ত হাতী চাফাৰী বন্ধ কৰিছিল। হাতী চাফাৰী বন্ধ হোৱাৰ পাছত পৰ্যটকৰ বাবে উদ্যানখনত জীপ চাফাৰী উপলব্ধ আছিল। ২০২৪-২৫ পৰ্যটন বৰ্ষত প্ৰায় ৫ লাখ পৰ্যটকে কাজিৰঙা দৰ্শন কৰাৰ লগতে ১০ কোটিৰো অধিক ৰাজহ সংগ্ৰহ কৰিবলৈ উদ্যান কৰ্তৃপক্ষ সমৰ্থ হৈছে। এই পৰ্যটন বৰ্ষটো কাজিৰঙাৰ বাবে উল্লেখযোগ্য বৰ্ষ বুলি উদ্যান কৰ্তৃপক্ষই প্ৰকাশ কৰিছে।

০০০০

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে পৰিষদৰ অধীনৰ সকলো বিদ্যালয়ত ২০২৫-২৬ শৈক্ষিক বৰ্ষৰ বাবে একাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ নামভৰ্তিৰ পঞ্জীয়ন আজিৰ পৰা ২৪ মে'লৈ পুনৰ মুকলি কৰা হ'ব বুলি ঘোষণা কৰিছে। এই অনলাইন পঞ্জীয়ন ১৫ মে'ত বন্ধ কৰি দিয়া হৈছিল। পৰিষদে নিৰ্দেশনাৰ জৰিয়তে ধন আদায় দিয়াৰ শেষ তাৰিখ ২৮ মে'লৈ আৰু চূড়ান্ত তালিকা প্ৰকাশৰ তাৰিখ ৩১ মে'লৈ বৃদ্ধি কৰা বুলি প্ৰকাশ কৰিছে।

২০২৫-২৬ শিক্ষাবৰ্ষৰ বাবে নৱম শ্ৰেণীৰ পঞ্জীয়নৰ সময়সীমা ২৪ মে'লৈ বৃদ্ধি কৰাৰ কথাও বিদ্যালয় শিক্ষা পৰিষদে ঘোষণা কৰিছে। এই সন্দৰ্ভত পৰিষদৰ সচিবে জাৰি কৰা নিৰ্দেশনা অনুসৰি নৱম শ্ৰেণীৰ অনলাইন পঞ্জীয়ন

প্ৰক্ৰিয়া আজিৰ পৰা ২৪ মে’লৈ মুকলি থাকিব আৰু বিদ্যালয়সমূহে ২৮ মে’ পৰ্যন্ত যাৱতীয় মাছুল পৰিশোধ কৰিব পাৰিব। সেই অনুসৰি সকলো বিদ্যালয়ক নিৰ্ধাৰিত সময়সীমাৰ ভিতৰত পঞ্জীয়ন প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশ দিয়া হৈছে।

০০০০

বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো কোকৰাঝাৰৰ মেইন বজাৰত নতুনকৈ নিৰ্মাণ কৰা অত্যাধুনিক মাছৰ বজাৰ মুকলি কৰে। এক কোটি টকা ব্যয়েৰে নিৰ্মাণ কৰা এই বজাৰত মাছৰ ব্যৱসায়ীসকলৰ লগতে ব্যৱসায়িক দিশৰ সুবিধা হোৱাকৈ অত্যাধুনিক ব্যৱস্থা কৰা হৈছে।

০০০০

বাক্সা জিলাৰ সংস্কৃত পণ্ডিত লক্ষ্মীনাৰায়ণ গোস্বামীক চলিত  বৰ্ষৰ দামোদৰদেৱ বঁটাৰ বাবে নিৰ্বাচিত কৰা হৈছে। আউনীআঁটি সত্ৰৰ সত্ৰাধিকাৰ পিতাম্বৰ দেৱগোস্বামী এই বিষয়ে ঘোষণা কৰে।  ২০১২ বৰ্ষৰ পৰাই আউনীআঁটি সত্ৰৰ তৰফৰ পৰা এই বঁটা প্ৰদান কৰি অহা হৈছে।

০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে আজি সন্ধিয়া ৭ বাজি ৩০ মিনিটৰ বিশেষ সংবাদ চলন্তিকাত অৱসৰপ্ৰাপ্ত ব্ৰিগেডিয়াৰ বলেন গোস্বামীৰ সৈতে কথোপকথন প্ৰচাৰ কৰিব। অনুষ্ঠানটোৰ পৰিকল্পনা, উপস্থাপন আৰু প্ৰযোজনা ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০

বজালী উজান বৰবৰীত এমহীয়া বিনামূলীয়া ভলীবল প্ৰশিক্ষণৰ আয়োজন কৰা হৈছে। হংস বাহিনী যুৱক সংঘৰ উদ্যোগত আয়োজিত এই প্ৰশিক্ষণত বজালীৰ লগতে বাক্সাৰ প্ৰায় ৬০ গৰাকী খেলুৱৈয়ে অংশগ্ৰহণ কৰিছে।

০০০০

সদৌ অসম টেনিছ সন্থাৰ উদ্যোগত চচলত থকা টেনিছ প্ৰকল্পত ১৪ আৰু ১৬ বছৰ অনুৰ্ধ আইটা টেনিছ প্ৰতিযোগিতা কাইলৈৰ পৰা অনুষ্ঠিত হ’ব। ২৩ মে’লৈ চলিবলগীয়া এই প্ৰতিযোগিতাত পশ্চিমবংগ, বিহাৰ, তেলেংগানা, তামিলনাডু, নাগালেণ্ড, মহাৰাষ্ট্ৰ, গুজৰাট, মণিপুৰ, অন্ধ্ৰপ্ৰদেশ আৰু অসমৰ ১৪৫ গৰাকী খেলুৱৈ ভাগ ল’ব।

০০০০

ভাৰত আজি অৰুণাচল প্ৰদেশৰ ইটানগৰত গ’ল্ডেন জুবলী ষ্টেডিয়ামত হ’বলগীয়া ১৯ বছৰ অনুৰ্ধ ছাফ ফুটবল প্ৰতিযোগিতাৰ ফাইনেলত বাংলাদেশৰ বিৰুদ্ধে অৱতীৰ্ণ হ’ব। খেলখন সন্ধিয়া সাত বজাত আৰম্ভ হ’ব। গ্ৰুপ পৰ্যায়ত শ্ৰীলংকাক ৮-০, নেপালক ৪-০ আৰু শুকুৰবাৰে ছেমি ফাইনেলত মালদ্বীপক ৩-০ গলত পৰাস্ত কৰা ভাৰতীয় দল যথেষ্ট ভাল ফৰ্মত আছে।

বাংলাদেশে বৃহস্পতিবাৰে অনুষ্ঠিত প্ৰথমখন ছেমি ফাইনেলত নেপালক ২-১ গলত পৰাস্ত কৰি ফাইনেলত স্থান নিশ্চিত কৰিছে।

০০০০

ঃঃ সমাপ্ত ঃঃ

ঃঃঃঃ ঃঃঃঃ ঃঃঃঃ ঃঃঃঃ

....................................